**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-9-2026
**Time :** 0755 AM

***Assamese Morning Bulletin***

---

ৰাজ্যৰ বিভিন্ন জিলাৰ সম উন্নয়ন, প্ৰশাসনিক বিষয় আৰু ভালেমান গুৰুত্বপূৰ্ণ বিষয়ক লৈ যোৰহাটত অনুষ্ঠিত দুদিনীয়া জিলা আয়ুক্ত সন্মিলনৰ কালি মাজনিশা সামৰণি পৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই সন্মিলনত কেইবাটাও গুৰুত্বপূৰ্ণ সংস্কাৰমূলক সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য প্ৰশাসনক গতিশীল কৰাৰ লক্ষ্যৰে দৈনন্দিন শাসন আৰু চৰকাৰী সেৱা প্ৰদান ব্যৱস্থাত আধুনিক তথ্য প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ নিশ্চিতকৰণৰ নিৰ্দেশ দিয়ে। সাধাৰণ নাগৰিকৰ দৈনন্দিন কাম-কাজ যাতে সমজিলা পৰ্যায়তে সমাধান হয়, তাৰবাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে। আয়ুক্তসকলক কেৱল কাৰ্যালয়তে আৱদ্ধ নাথাকি নিয়মিত ক্ষেত্ৰভিত্তিক পৰিদৰ্শনৰ জৰিয়তে চৰকাৰী সেৱাৰ মান নিৰীক্ষণৰো নিৰ্দেশ দিয়া হৈছে। একেদৰে অসমৰ প্ৰতিখন জিলাত দেশৰ ভিতৰতে শ্ৰেষ্ঠ হিচাপে পৰিগণিত হ'ব পৰাকৈ আয়ুক্তসকলৰ মাজত সুস্থ প্ৰতিযোগিতা আৰু দায়ৱদ্ধতাৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰতো সন্মিলনত গুৰুত্ব দিয়া হয়। পুৰণি প্ৰশাসনিক ব্যৱস্থা তথা আওপুৰণি মানসিকতাৰ পৰা ওলাই আহি সকলোকে জনসেৱাত অধিক মনোনিৱেশ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। প্ৰতিটো বিভাগে অহা ছমাহ বা এবছৰত কি কাম কৰিব লাগিব, সেই সন্দৰ্ভতো সন্মিলনত মুখ্যমন্ত্ৰীয়ে নিৰ্দেশনা দিয়ে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে আয়ুক্ত সন্মিলনত ১৫ টা বিভাগক লৈ ২৭ ঘণ্টাতকৈও অধিক সময় আলোচনা কৰে। ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাক অধিক জনমুখী আৰু ফলপ্ৰসূ কৰাৰ লগতে তৃণমূল পৰ্যায়ত জনসেৱা অধিক উন্নত কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত সন্মিলনত আলোচনা কৰা হয়। এই আলোচনাৰ মাজতে ৮৫ টাতকৈও অধিক ফাইলত মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰে। সন্মিলনৰ বিভিন্ন কাৰ্যসূচীত মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু আৰু ৰামেশ্বৰ তেলীকে ধৰি ভালেকেইগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি টীয়কৰ কলিয়াপানীত থকা আউনীআটী বিশ্ববিদ্যালয়ৰ মূল চৌহদৰ শৈক্ষিক ভৱন মুকলি কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ বান পৰিস্থিতিৰ পুনৰীক্ষণ বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে ঢেকীয়াখোৱা বৰনামঘৰতো সেৱা ল'ব।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থী শিৰামণি বৰাৰ নাম আনুষ্ঠানিকভাৱে কালি ঘোষণা কৰা হয়। প্ৰাৰ্থী হিচাপে নাম ঘোষণা কৰাৰ পাছত শিৰামণি বৰাই এইদৰে কয়-

(বাইট ঃ শিৰামণি)

ইপিনে শাসকীয় বিজেপিয়ে সমষ্টিটোত আগ্ৰাসী প্ৰচাৰ চলাইছে। দলটোৱে দেৱাশীষ শৰ্মাক প্ৰাৰ্থী হিচাপে ইতিমধ্যে ঘোষণা কৰিছে। তেওঁ বিভিন্ন স্থানত দলীয় সভাত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাৰ সৈতেও মত বিনিময় কৰিছে। কাইলৈ তেওঁ মনোনয়ন পত্ৰ দাখিল কৰিব। মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া উপস্থিত থকাৰ সম্ভাৱনা আছে।

এ আই ইউ ডি এফেও প্ৰাৰ্থীত্ব প্ৰদানৰ উদ্দেশ্যে কালি দলীয় বৈঠক অনুষ্ঠিত কৰিছিল যদিও প্ৰাৰ্থীৰ নাম চূড়ান্ত হোৱা নাই। আজি বদৰুদ্দিন আজমলৰ নেতৃত্বত পুনৰ বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছে আৰু এই বৈঠকতে প্ৰাৰ্থীৰ নাম চূড়ান্ত হোৱাৰ সম্ভাৱনা।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত সমাগত সেৱা সংকল্প অভিযান আৰু স্বচ্ছতা হী সেৱা ২০২৬ অভিযান সন্দৰ্ভত  জিলা উন্নয়ন আয়ুক্ত সঞ্জীৱ কুমাৰ শৰ্মাৰ সভাপতিত্বত কালি এখন সমন্বয় সভা অনুষ্ঠিত হয়। সভাত ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ হ'বলগীয়া সেৱা সংকল্প অভিযান ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ১২ আৰু ১৩ ডিচেম্বৰত দেশজুৰি চি-টেট অনুষ্ঠিত কৰিব। এই সন্দৰ্ভত কালি এখন জাননী প্ৰকাশ কৰি পৰিষদে কয়, যে প্ৰাৰ্থীসকলে পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া কেন্দ্ৰ আৰু পৰীক্ষাৰ তাৰিখ পৰীক্ষাৰ ১৫ দিন পূৰ্বে চি-টেট পোৰ্টেলত উপলব্ধ হ'ব।

০০০০০০

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ কালি শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক  বিদ্যালয়ত পৰীক্ষা কৰা হয়।  ৪২ টা ৱাৰ্ডৰ ১৬২ খন মনোনয়ন পত্ৰৰ ভিতৰত ১৫১ খন মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ১৭ চেপ্তেম্বৰ।

০০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰখ্যাত সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধক, বৈষ্ণৱ পণ্ডিত, পদ্মশ্ৰী সন্মানেৰে সন্মানিত তথা সাহিত্য একাডেমী বঁটাপ্ৰাপক গোপীৰাম বৰগায়ন বুঢ়া ভকতৰ কালি দেহাৱসান ঘটে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে সত্ৰীয়া সংস্কৃতিৰ সাধনাৰ জৰিয়তে প্ৰয়াত বৈষ্ণৱ পণ্ডিতগৰাকীয়ে জাতীয় ঐতিহ্যক সমৃদ্ধ কৰিছিল। তেওঁৰ মৃত্যুত আধ্যাত্মিক, সাংস্কৃতিক জগতখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ১০৩ বছৰ বয়সত দেহাৱসান ঘটনা এইগৰাকী সাধকৰ  অন্তেষ্টিক্ৰিয়া ৰাজ্যিক মৰ্যাদাৰে আজি সম্পন্ন কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইতিমধ্যে মাজুলী জিলা প্ৰশাসনে শেষকৃত্যৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

**সমাপ্ত**